**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-11-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---------------------

১। আজি ৰাষ্ট্ৰীয় সংবিধান দিৱস। নতুন দিল্লীৰ পুৰণি সংসদ ভৱনৰ কেন্দ্ৰীয় কক্ষত মূল কাৰ্যসূচী। ৰাজ্যৰ ভিন্ন প্ৰান্তত সংবিধান দিৱসৰ কাৰ্যসূচীৰ আয়োজন।

২। সংবিধানৰ প্ৰস্তাৱনাত সমাজবাদী আৰু ধৰ্মনিৰপেক্ষ শব্দ দুটাৰ অন্তৰ্ভুক্তি বাহাল থাকিব বুলি উচ্চতম ন্যায়ালয়ৰ গুৰুত্বপূৰ্ণ ৰায়দান।

৩। অসম ৰাজ্যিক শিক্ষা পৰিষদৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ চূড়ান্ত সময়সূচী ঘোষণা।

৪। চলিত ৰাষ্ট্ৰীয় বিদ্যালয় ক্ৰীড়াত অসমৰ চমকপ্ৰদ প্ৰদৰ্শন। এতিয়ালৈকে হোৱা খেলত ৫টা সোণ, ৬টা ৰূপ আৰু ১৩ ব্ৰঞ্জকে ধৰি ২৪টা পদক জয়। **আৰু**

৫। ভাৰতীয় ক্ৰিকেট দলৰ বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ পইণ্ট তালিকাত শীৰ্যস্থান পুনৰোদ্ধাৰ।

oooooo

সমগ্ৰ দেশতে আজি ৰাষ্ট্ৰীয় সংবিধান দিৱস উদযাপন কৰা হৈছে। ভাৰতৰ সংবিধান গৃহীত হোৱাৰ ৭৫ সংখ্যক বছৰ উপলক্ষে কেন্দ্ৰীয় চৰকাৰে আজিৰে পৰা বছৰজোৰা উদযাপনৰ কথা ঘোষণা কৰিছে। এইবেলি দেশৰ সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰ সম্পূৰ্ণ হৈছে। আজি আৰম্ভ হোৱা এই উদযাপন কাৰ্যসূচী অহা বছৰৰ ২৬ নৱেম্বৰ পৰ্যন্ত চলি থাকিব। ১৯৪৯ চনৰ ২৬ নৱেম্বৰত ভাৰতৰ সংবিধান গৃহীত হৈছিল আৰু ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে সংবিধান কাৰ্যকৰী কৰা হৈছিল।

সংবিধান দিৱসৰ সৈতে সংগতি ৰাখি দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় প্ৰেক্ষাগৃহত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাজ্যসভা আৰু লোকসভাৰ সদস্যসকলক সম্বোধন কৰিব। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা তথা ভালেকেইগৰাকী কেন্দ্ৰীয় মন্ত্ৰীকে ধৰি গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকিব।

ইপিনে দেশৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যতো সংবিধান দিৱস উপলক্ষে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোচাই আজি গুৱাহাটীত সংবিধান দিৱস পদযাত্ৰাত অংশ ল'ব।

ইপিনে সংবিধান দিৱসৰ লগত সংগতি ৰাখি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনস্থ ছেণ্ট্ৰেল ব্যুৰ' অৱ কমিউনিকেচনছ চমুকৈ চি বি চি গুৱাহাটীৰ উদ্যোগত আজি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আজিৰ অনুষ্ঠানত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অচিন্ত্য মল্লবুজৰবৰুৱা আৰু মীৰ আলফাজ আলী, ন্যায়িক একাডেমী অসমৰ সঞ্চালক তথা প্ৰাক্তন মহা অধিবক্তা ৰমেশ চন্দ্ৰ বৰপাত্ৰগোহাঁইকে ধৰি বিভিন্নজনে বক্তা হিচাপে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানৰ অংশ হিচাপে মহিলাৰ আইনী অধিকাৰ, শিশু শ্ৰমিক আইন, বাল্য বিবাহ প্ৰতিৰোধ আদিকে ধৰি আইনী বিষয়সমূহৰ সন্দৰ্ভত সাধাৰণ জনতা সজাগতা সৃষ্টিৰ অৰ্থে কামৰূপ জিলাৰ ভিন্ন প্ৰান্তত

আইনী সাহায্য শিবিৰো স্থাপন কৰা হৈছে। আজি সংবিধান দিৱসৰ লগত সংগতি ৰাখি গুৱাহাটী উচ্চ ন্যায়ালয়তো এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০

উচ্চতম ন্যায়ালয়ে ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত থকা সমাজতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ শব্দ দুটাৰ ঔচিত্য বাহাল ৰাখিছে। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না আৰু ন্যায়াধীশ পি ভি সঞ্জয় কুমাৰক লৈ গঠিত এখন খণ্ড বিচাৰপীঠে কালি দিয়া এটা গুৰুত্বপূৰ্ণ ৰায়ত ৪২ সংখ্যক সংবিধান সংশোধনীৰ জৰিয়তে সংবিধানৰ প্ৰস্তাৱনাত অন্তৰ্ভুক্ত কৰা সমাজতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ শব্দ দুটাৰ প্ৰত্যাহ্বান জনাই দাখিল কৰা কেইবাখনো আবেদন সন্দৰ্ভত এই ৰায় দিয়ে। ৰায়টোত খণ্ড বিচাৰপীঠে কয়, যে সংবিধানৰ যিকোনো সংশোধনী সংবিধানৰ মৌলিক গাঁথনিৰ আধাৰত হ'ব লাগিব আৰু এই শব্দ দুটাৰ অন্তৰ্ভুক্তিৰে সংবিধানৰ মৌলিক গাঁথনিত আঘাত পৰা নাই। উল্লেখযোগ্য যে ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ সুব্ৰামণিয়ম স্বামী, সমাজকৰ্মী বলৰাম সিং আৰু অধিবক্তা অশ্বিনী উপাধ্যায়ে দাখিল কৰা আবেদনকেইখনত এই শব্দ দুটাৰ অন্তৰ্ভুক্তিৰ বৈধতাক প্ৰত্যাহ্বান জনাইছিল আৰু ১৯৭৬ চনৰ জৰুৰী অৱস্থাৰ প্ৰয়োজনতহে সংবিধানৰ এই সংশোধনী ঘটোৱা হৈছিল বুলি যুক্তি দৰ্শাইছিল। এই যুক্তি খণ্ডন কৰি উচ্চতম ন্যায়ালয়ে ৰায়টোত কয়, যে এই সংশোধনী বিস্তৃত ন্যায়িক পুনৰীক্ষণৰ পাছতহে বাহাল ৰখা হৈছে। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাই কয়, যে আন দেশৰ সমাজতন্ত্ৰৰ পৰা ভাৰতীয় সমাজতন্ত্ৰৰ পাৰ্থক্য আছে আৰু ভাৰতত সমাজতান্ত্ৰিক শব্দই কল্যাণকামী বা সেৱামূলক ৰাষ্ট্ৰক প্ৰতিফলিত কৰে। খণ্ড আদালতে ১৯৭৬ চনত সংবিধানৰ ৪২ সংখ্যক সংশোধনীৰ প্ৰায় ৪৪ বছৰ পাছত ২০২০ চনত সমাজকৰ্মী বলৰাম সিঙে এই শব্দ দুটাৰ অন্তৰ্ভুক্তিক প্ৰত্যাহ্বান জনাই দাখিল কৰা এই আবেদনখনৰ উদ্দেশ্য সম্পৰ্কেও প্ৰশ্ন তোলে।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কালি উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষা সূচী ঘোষণা কৰে। সেই অনুসৰি উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষা অহা ১৩ ফেব্ৰুৱাৰীৰ পৰা ১৭ মাৰ্চলৈ অনুষ্ঠিত হ'ব। ইপিনে আমাৰ আগৰ বাতৰিতে ২০২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা অহা ১৫ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হ'ব বুলি কোৱা হৈছিল। পৰিষদে কালি ঘোষণা কৰা পৰীক্ষাৰ সময়সূচী অনুসৰি পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ আৰু দুপৰীয়া ১ বাজি ৩০ মিনিটৰ পৰা বিয়লি ৪ বাজি ৩০ মিনিটলৈ পৰীক্ষা অনুষ্ঠিত হ'ব। ২১ আৰু ২২ জানুৱাৰীত ব্যৱহাৰিক পৰীক্ষা অনুষ্ঠিত হ'ব। আনহাতে ৩ মাৰ্চত পৰীক্ষাৰ অন্ত পৰিব।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আজিৰে পৰা অহা ২৯ নৱেম্বৰলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অনুষ্ঠিত হ'ব। কাজিৰঙাৰ লগতে ৰাজ্যখনৰ পৰ্যটনৰ উৎকৰ্ষ সাধনৰ বাবে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰ্যালয়ে অসম পৰ্যটনৰ সহযোগত এই মেলাৰ আয়োজন কৰিছে। এই পৰ্যটন মেলাত বিভিন্ন দেশৰ ২০ গৰাকী প্ৰতিনিধিৰ লগতে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰ্যালয়ৰ ১৮০ গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। বিদেশী অতিথিসকলে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, হাতীখুলি চাহ বাগিচা আৰু কাজিৰঙা জাতীয় অ'ৰ্কিড উদ্যান দৰ্শন কৰিব। উদ্যান কৰ্তৃপক্ষই ইতিমধ্যে পৰ্যটন মেলাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। এই অনুষ্ঠানত কাইলৈ কেন্দ্ৰীয় পৰ্যটন তথা সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, কেন্দ্ৰীয় বন্দৰ জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু অৰুণাচল মুখ্যমন্ত্ৰী পেমা খাণ্ডুৰ লগতে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰ্যালয়ৰ ৰাজ্যিক মন্ত্ৰী সুৰেশ গোপী উপস্থিত থাকিব।

০০০০০০

কটন বিশ্ববিদ্যালয় গৱেষক সংস্থাই অসম মহাবিদ্যালয় প্ৰাদেশীকৃত কৰ্মচাৰী নিয়মাৱলী ২০২৪ৰ খচৰা বাতিল কৰিবলৈ শিক্ষা বিভাগক দাবী জনাইছে। কটন বিশ্ববিদ্যালয়ত কালি অনুষ্ঠিত এখন সংবাদমেলত সংস্থাৰ নেতৃবৃন্দই কয়, যে বৰ্তমানৰ খচৰাখনে গৱেষকসকলৰ পৰিশ্ৰমক অমান্য কৰিছে। গৱেষকসকলক পুনৰ বিষয় বৰ্হিঃভূত পৰীক্ষাত বহিবলৈ দিয়াটো অন্যায় বুলি সংস্থাটোৱে মন্তব্য কৰে। খচৰাখনে ৰাষ্ট্ৰীয় শিক্ষা নীতিক উপেক্ষা কৰে বুলিও সংস্থাটোৱে অসন্তুষ্টি প্ৰকাশ কৰে। উল্লেখযোগ্য যে উচ্চ শিক্ষা বিভাগে অলপতে প্ৰকাশ কৰা এই নিয়মাৱলী অনুযায়ী মহাবিদ্যালয়ৰ শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰত সংশ্লিষ্ট বিষয়-বিষয়ক জ্ঞানৰ পৰিৱৰ্তে সাধাৰণ জ্ঞানৰ পৰীক্ষাৰ ভিত্তিত মহাবিদ্যালয়ত নিযুক্তি দিয়াৰ নতুন নিয়ম প্ৰস্তাৱ কৰিছিল।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে ৰাজ্যৰ বিদ্ৰোহী সংগঠন আলফা স্বাধীনৰ নিষিদ্ধ ঘোষণাৰ ম্যাদ পুনৰ ৫ বছৰলৈ বৃদ্ধি কৰিছে। গৃহ মন্ত্ৰালয়ে কালি এই সন্দৰ্ভত এখন অধিসূচনা জাৰি কৰিছে। এই অধিসূচনা অনুসৰি বে-আইনী কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ অধীনত কাইলৈৰ পৰা কাৰ্যকৰী হোৱাকৈ সংগঠনটো পুনৰ ৫ বছৰৰ বাবে নিষিদ্ধ সংগঠন হিচাপে পৰিগণিত হ'ব। আলফাক ১৯৯০ চনত প্ৰথমবাৰৰ বাবে নিষিদ্ধ ঘোষণা কৰা হৈছিল আৰু পাছত সময়ে সময়ে ইয়াৰ ম্যাদ বৃদ্ধি কৰি অহা হৈছে।

০০০০০০

গোৱাত চলি থকা ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱৰ আজি সপ্তম দিন। উল্লেখযোগ্য যে এই চলচ্চিত্ৰ মহোৎসৱৰ মূল শাখাত এইবাৰ মুঠ ২৭০খন ছবি প্ৰদৰ্শন কৰি থকা হৈছে। বিভিন্ন শিতানত এইবাৰ প্ৰায় ৪০০ খন ছবি প্ৰদৰ্শিত হ'ব। ইয়াৰ ভিতৰত বিশ্বৰ ৮১খন দেশক প্ৰতিনিধিত্ব কৰা ১৮০খন বিদেশী ছবি আছে। গোৱাত উপস্থিত থকা বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদে খন্তেক সময়ৰ আগতে আমালৈ এই প্ৰতিবেদন পঠিয়াইছে।

**-ভইচ-**

ধন্যবাদ নয়ন প্ৰসাদ। চলচ্চিত্ৰ মহোৎসৱৰ পৰৱৰ্তী দিন কেইটাৰ বা-বাতৰি আপোনাৰ পৰা লৈ থাকিম।

০০০০০০

চলিত ৰাষ্ট্ৰীয় বিদ্যালয় ক্ৰীড়াত অসমৰ খেলুৱৈয়ে চমকপ্ৰদ প্ৰদৰ্শন কৰি সাফল্য আহৰণ কৰিবলৈ সমৰ্থ হৈছে। এতিয়ালৈকে হোৱা খেলত অসমে ৫টা সোণ, ৬টা ৰূপ আৰু ১৩টা ব্ৰঞ্জকে ধৰি মুঠ ২৪টা পদক অৰ্জন কৰিছে। গুজৰাটৰ ৰাজকোটত চলি থকা ৰাষ্ট্ৰীয় বিদ্যালয় ক্ৰীড়াৰ সাঁতোৰ প্ৰতিযোগিতাত অসমে ২টা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিছে। ১৪ বছৰ অনূৰ্ধৰ ল'ৰা আৰু ছোৱালীৰ প্ৰতিযোগিতাখনত অসমৰ ভূমিকা কাশ্যপে ২০০ মিটাৰ মিডলে শাখাত ৰূপ অৰ্জন কৰাৰ বিপৰীতে ল'ৰাৰ ১০০ মিটাৰ বেক ষ্ট্ৰকত জ্ঞানদ্বীপ বৰগোহাঁইয়ে দ্বিতীয় স্থানত থাকি ৰূপ লাভ কৰে। অসমৰ ছোৱালী দলটোৱে ১০০ মিটাৰ ফ্ৰী ষ্টাইল ৰীলেত ব্ৰঞ্জৰ পদক লাভ কৰে। ইফালে জম্মুত চলি থকা ৰাষ্ট্ৰীয় বিদ্যালয় ক্ৰীড়াৰ উশ্বু প্ৰতিযোগিতাত অসমে ৫টা ব্ৰঞ্জৰ পদক জয় কৰে। একেদৰে টাইকোৱানড'ত সৰ্বাধিক ৪টা সোণসহ ৯টা পদক জয় কৰে। আনহাতে আৰ্চাৰী আৰু ফেন্সিঙতো অসমে পদক জয় কৰিবলৈ সমৰ্থ হয়। উল্লেখযোগ্য ৰাষ্ট্ৰীয় বিদ্যালয় ক্ৰীড়াত পদক জয় কৰাৰ সূত্ৰে ৰাজ্যৰ খেলুৱৈসকলে খেলো ইণ্ডিয়া যুৱ ক্ৰীড়ালৈও যোগ্যতা অৰ্জন কৰিছে।

০০০০০০

সংসদত ভাৰতীয় উদ্যোগপতি গৌতম আদানী আৰু তেওঁৰ অধীনস্থ কোম্পানীয়ে সৌৰ শক্তি চুক্তিৰ বাবদ উৎকোচ দিয়াৰ অভিযোগক কেন্দ্ৰ কৰি সৃষ্টি হোৱা হুলস্থুলীয়া পৰিৱেশৰ বাবে কালি সংসদৰ শীতকালীন অধিৱেশনৰ প্ৰথমদিনা লোকসভা আৰু ৰাজ্যসভা স্থগিত ৰাখিবলগীয়া হোৱাৰ বাতৰিক আজিৰ সকলোবোৰ বাতৰি কাকতে মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে। এই সন্দৰ্ভত **দি আছাম ট্ৰিবিউন** কাকতৰ শিৰোনাম 'PARLIAMENT ADJOURNED AS OPPOSITION RAISES ADANI ISSUE' কাকতকেইখনে মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতিক লৈও দুয়ো সদনত উত্তাল পৰিস্থিতিৰ সৃষ্টি হোৱা বিষয়েও বিস্তাৰিতভাৱে প্ৰকাশ কৰিছে।

ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত সমাজতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ শব্দ দুটাৰ অন্তৰ্ভুক্তিক প্ৰত্যাহ্বান জনাই দাখিল কৰা আবেদন উচ্চতম ন্যায়ালয়ে খাৰিজ কৰাৰ বাতৰিক আজি **দৈনিক অসম, অসমীয়া প্ৰতিদিন**কে আদি কৰি প্ৰায়কেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

শিক্ষাৰ অধিকাৰ আইন, ২০০৯-ৰ অধীনত ৰাজ্যৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ শিক্ষাৰ্থীৰ বাবে ২৫ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা বলৱৎ কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে প্ৰদৰ্শন কৰা প্ৰতিক্ৰিয়া প্ৰকাশ কৰি **দৈনিক অসম** কাকতৰ প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ শিৰোনাম 'শিক্ষা বিভাগৰ চালে-বেৰে কোবোৱা উত্তৰত অসন্তুষ্টি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ, ১৫ ডিচেম্বৰ শেষ সময়সীমা - সকীয়নি আদালতৰ।' এই ৰায়দান সন্দৰ্ভত **দা ছেণ্টিনেল** কাকতৰ শিৰোনাম 'HC gives last opportunity to Dispur'।

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা ব'ৰ্ডে ২০২৫ বৰ্ষৰ অসম উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষা ১৩ ফেব্ৰুৱাৰীৰ পৰা আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষা ১৫ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হোৱাৰ কথা ঘোষণা কৰি প্ৰকাশ কৰা বাতৰিটো **অসমীয়া খবৰ**কে ধৰি প্ৰায় আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে।

চিকিৎসা মহাবিদ্যালয়ৰ বাবে এম আৰ আই মেচিন ক্ৰয়ক কেন্দ্ৰ কৰি স্বাস্থ্য বিভাগত ব্যাপক বিত্তীয় কেলেংকাৰীত সংঘটিত হোৱাৰ তথ্য প্ৰকাশ কৰি **অসমীয়া প্ৰতিদিন** কাকতৰ শিৰোনাম 'এম আৰ আই মেচিন ক্ৰয়ৰ নামত স্বাস্থ্য বিভাগত বিয়াগোম কেলেংকাৰী'।

উদয়াচলৰ উদ্যোগত তিনিদিনীয়া কাৰ্যসূচীৰে গুৱাহাটী মহানগৰীত প্ৰথমবাৰলৈ নৰ্থ-ইষ্ট পেৰা স্পৰ্টছ মীট অনুষ্ঠিত কৰা সন্দৰ্ভত **নিয়মীয়া বাৰ্তা** কাকতে 'গুৱাহাটীত ২৭ নৱেম্বৰৰ পৰা তিনিদিনীয়াকৈ পেৰা স্পৰ্টছ মীট' শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মন্ত্ৰীসভা সম্প্ৰসাৰণ সম্পন্ন কৰাৰ সম্ভাৱনা প্ৰকট হৈছে। এই সন্দৰ্ভত **দৈনিক অগ্ৰদূত** কাকতৰ শীৰ্ষ বাতৰি 'মন্ত্ৰীসভাৰ ৰদ-বদলক লৈ দিছপুৰত উৎকণ্ঠা'।

**অসমীয়া খবৰ** কাকতৰ প্ৰথম পৃষ্ঠাৰ আন এটা গুৰুত্বপূৰ্ণ বাতৰিৰ শিৰোনাম 'কোকৰাঝাৰত মেলেৰিয়াৰ ভয়াৱহ প্ৰাদুৰ্ভাৱ, আক্ৰান্ত এহেজাৰ ৭৮৯, প্ৰাণ গ'ল পাঁচটি শিশুৰ'।

oooooo

ভাৰতীয় ক্ৰিকেট দলে পুনৰ এবাৰ বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ পইণ্ট তালিকাত শীৰ্ষস্থান দখল কৰিছে। ইয়াৰ পূৰ্বে নিউজিলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত তিনিখনীয়া টেষ্ট শৃংখলাত ভাৰতে পৰাজয় বৰণ কৰাৰ পাছত পইণ্ট তালিকাৰ শীৰ্ষস্থান হেৰুৱাই দ্বিতীয় স্থানলৈ অৱনমিত হৈছিল। সেই সময়ত ভাৰতক অতিক্ৰমী অষ্ট্ৰেলিয়াই তালিকাৰ শীৰ্ষস্থান দখল কৰিছিল। কিন্তু অষ্ট্ৰেলিয়াৰ পাৰ্থত খেলা প্ৰথমখন টেষ্টত জয়লাভ কৰাৰ

পাছতে ভাৰতে ডব্লিউ টি চি পইণ্ট তালিকাৰ শীৰ্ষস্থান পুনৰুদ্ধাৰ কৰিবলৈ সমৰ্থ হয়। বৰ্তমানে ভাৰতীয় ক্ৰিকেট দলৰ ১৫ খন খেলত মুঠ ১১০ পইণ্ট আছে। দলটোৱে খেলা মেচসমূহৰ ভিতৰৰ ১০ খনত জয়লাভ কৰাৰ বিপৰীতে ৫খনত পৰাজয় বৰণ কৰিছে। আনহাতে এখন খেল অমীমাংসিতভাৱে সামৰণি পৰিছে। ইয়াৰ বিপৰীতে অষ্ট্ৰেলিয়াৰ দলটোৱে ১৩খন খেলৰ ৮খনত জয়, ৪খনত পৰাজয় আৰু এখন অমীমাংসিতভাৱে সামৰণি পৰা মেচৰ সৈতে ৯০ পইণ্ট অৰ্জন কৰি দ্বিতীয় স্থানত আছে। একেদৰে শ্ৰীলংকাৰ ক্ৰিকেট দলটো ৬০ পইণ্টেৰে তালিকাৰ তৃতীয় স্থানত, নিউজিলেণ্ডে ৭২ পইণ্টেৰে চতুৰ্থ স্থানত আৰু দক্ষিণ আফ্ৰিকা ৫২ পইণ্টেৰে তালিকাৰ পঞ্চম স্থানত আছে। উল্লেখযোগ্য যে কালি ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ প্ৰথমখন টেষ্টত ভাৰতে অষ্ট্ৰেলিয়াক ২৯৫ ৰানৰ বিশাল ব্যৱধানত পৰাজিত কৰি ইতিহাস সৃষ্টি কৰিছে।

oooooo

সমাপ্ত